অসম

ডিগবৈত যান-বাহন আইন উলংঘাকাৰীৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত, জব্দ ১২খন ই-ৰিক্সা

প্ৰকাশ: ২০ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৫১



(Bijoy Sutradhar)

যান-বাহন আইন উলংঘাকাৰীৰ বিৰুদ্ধে কঠোৰ অভিযান অব্যাহত ৰাখিছে ডিগবৈ আৰক্ষীয়ে। আজি ডিগবৈ আৰক্ষী থানাৰ অন্তৰ্গত এলেকাত অভিযান চলাই মুঠ ১২খন ই-ৰিক্সা জব্দ কৰে আৰক্ষীয়ে।

বৈধ ড্ৰাইভিং লাইচেন্স আৰু বাহনৰ বীমা অবিহনে ই-ৰিক্সা চলোৱাৰ লগতে ৰাষ্ট্ৰীয় ঘাইপথ ৩১৫ত প্ৰযোজ্য যান-বাহন নিয়ম উলংঘা কৰি চলাচল কৰাৰ অভিযোগত ই-ৰিক্সাকেইখন জব্দ কৰে আৰক্ষীয়ে।

জব্দকৃত বাহনকেইখন পৰৱৰ্তী আইনী ব্যৱস্থা গ্ৰহণৰ বাবে ডিগবৈ আৰক্ষী থানালৈ যায়।

ইফালে, ই-ৰিক্সাৰ চালক আৰু পৰিচালকসকলক সংগঠনৰ নেতৃবৃন্দৰ উপস্থিতিত যান-বাহন আইন আৰু ট্ৰেফিক

নিয়ম কঠোৰভাৱে মানি চলিবলৈ সজাগ কৰাৰ লগতে নিৰ্দেশনা প্ৰদান কৰে আৰক্ষীয়ে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4646/digoboit-jan-bahon-ain-ulngghakarir-biruddhe-aroksir-abhijan-abyahot-jobd-12khon